**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 12-01-2026

**Time :** 1845 Hrs.

***Assamese Midday Bulletin***

**HEADLINE**

০০০০০

১। এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ মাজত আজি নিযুক্তি পত্ৰ বিতৰণ।

২। কাইলৈ মাঘ বিহুৰ উৰুকা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত মাঘ বিহুৰ বাবে ব্যাপক প্ৰস্তুতি।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি তেজপুৰ আৰু কাৰ্বি আংলঙত মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক বিতৰণ।

৪। প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিত অহা ১৭ জানুৱাৰীত হ'বলগীয়া বাগৰুম্বা নৃত্য প্ৰদৰ্শনৰ বাবে আজিৰে পৰা সৰুসজাইত তিনি দিনীয়াকৈ অনুশীলন।

**আৰু**

৫। ২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত প্ৰদৰ্শনৰ ব্যৱস্থা।

০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা- এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত আজি নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰে। আজিৰ অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে এ ডি আৰ ইৰ জৰিয়তে ৰাজ্য চৰকাৰে নিযুক্তি প্ৰক্ৰিয়াত স্বচ্ছতা আনিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰে। এই ব্যৱস্থা দেশৰ অন্যান্য ৰাজ্যই অনুসৰণ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

**বাইট (চি এম)**

০০০০০

কাইলৈ মাঘ বিহুৰ উৰুকা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুৰ বাবে ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলা অনুষ্ঠিত হৈছে। চুবুৰীয়া মেঘালয়ৰ শ্যাম নগৰত ৰাইজে নৰা আৰু বাঁহেৰে এটি দুমহলীয়া ভেলাঘৰ সাজি উলিয়াইছে। শ্যামনগৰত বসবাস কৰা ৫ শতাধিক ৰাভা পৰিয়ালে প্ৰায় ১০ বছৰ ধৰি বিহু উদযাপন কৰি আহিছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়নৰ বাবে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে।

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান কামৰূপ মহানগৰ জিলাৰ উদ্যোগত উজান বজাৰৰ সতী ৰাধিকা শান্তি উদ্যানত অনুষ্ঠিত অসমী ভোগালী মেলাৰ কালি সামৰণি পৰে। গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰী পাৰৰ সমীপৰ লক্ষ্মীধৰ বৰা ক্ষেত্ৰ, খানাপাৰা আদি স্থানতো ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত আয়োজিত ভোগালী মেলাত মহিলাসকলে প্ৰস্তুত কৰা লাৰু, পিঠা, জহা চাউল, বৰা চাউলৰ লগতে বিভিন্ন থলুৱা খাদ্য উপলব্ধ হৈছে।

ধেমাজি জিলাত ভোগালী বিহু উপলক্ষে ব্যাপক প্ৰস্তুতি দেখা দিছে। ধেমাজিৰ বৰদলনি ভকতগাঁৱৰ বালিজানত যুৱকসকলে ব্যতিক্ৰমী ভেলাঘৰ সাজি উলিয়াইছে।

হোজাই জিলাৰ মীন বিভাগে কাইলৈ উৰুকাৰ প্ৰাকক্ষণত বিভিন্ন প্ৰজাতিৰ মাছৰ বিক্ৰীৰ বজাৰ মূল্য নিৰ্ধাৰণ কৰিছে। জিলা মীন বিষয়া ভৱানী প্ৰসাদ নাথে এই বিষয়ে উল্লেখ কৰি মাছৰ বজাৰত বিভিন্ন প্ৰজাতিৰ মাছৰ বিক্ৰীৰ নিৰ্দিষ্ট মূল্য বৰ্তাই ৰাখিবলৈ ব্যৱসায়ীসকলক আহ্বান জনায়।

**বাইট (ভৱানী প্ৰসাদ নাথ)**

ৰাজ্যৰ আন আন জিলাসমূহতো ভোগালী বিহু উপলক্ষে ব্যাপক উছাহ পৰিলক্ষিত হৈছে।

ooooo

অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা পি এছ এল ভি- চি ছিক্সটি টু ৰকেটৰ সহায়ত আজি উৎক্ষেপণ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ ‘লাচিত-ৱান’কে ধৰি ১৫টা উপগ্ৰহৰ উৎক্ষেপণৰ তৃতীয় পৰ্যায়ত বিজুতি সংঘটিত হয়। অসম ডনবস্ক’ বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰৰ দলে সাজু কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ ‘লাচিত-ৱান’ আজি দিনৰ ১০ বাজি ১৭ মিনিটত উৎক্ষেপণ কৰা হৈছিল। ইয়াৰ লগতে দেশী-বিদেশী ১৫টা কৃত্ৰিম উপগ্ৰহ আছিল। উৎক্ষেপণৰ তৃতীয় পৰ্যায়ত নিয়ন্ত্ৰণ কক্ষৰ সৈতে যোগাযোগ বিচ্ছিন্ন হোৱাৰ ফলত উপগ্ৰহকেইটা কক্ষচ্যুত হয় বুলি ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ সূত্ৰই প্ৰকাশ কৰিছে। ইয়াৰ কাৰণ সন্দৰ্ভত বিশ্লেষণ কৰি থকা হৈছে।

ooooo

২০২৪-২৫ বিত্তীয় বৰ্ষত দেশৰ মৎস্য উৎপাদন ১৯৮ লাখ টনলৈ বৃদ্ধি হৈছে। ২০১৩-১৪ বৰ্ষতকৈ এই উৎপাদন ৯৫ লাখ টন বৃদ্ধি পাইছে। মীন মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি পশুপালন, দুগ্ধ, মীনপালন আৰু সামুদ্ৰিক উৎপাদন খণ্ডই দেশৰ অৰ্থনীতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এই খণ্ডসমূহে প্ৰায় ৩ কোটি মাছমৰীয়া আৰু মীন পালকক উপাৰ্জনৰ পথ দিছে বুলিও সূত্ৰটোৱে প্ৰকাশ কৰিছে। মীন উৎপাদন খণ্ডত সৰ্বাত্মক উন্নয়নৰ লক্ষ্যৰে এলানি ৰূপান্তৰকামী পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰালয়ৰ সূত্ৰত প্ৰকাশ পাইছে। ২০১৪-১৫ বৰ্ষৰ

পৰা সামুদ্ৰিক বিপ্লৱ, প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনা আৰু প্ৰধানমন্ত্ৰী মৎস্য কিষাণ সমৃদ্ধি শ্বাহ যোজনাৰ অধীনত ৩২ হাজাৰ ৭২৩ কোটি টকা আৱণ্টন দিয়া হৈছে বুলি মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে। সূত্ৰটোৱে প্ৰকাশ কৰা মতে ভাৰতৰ সামুদ্ৰিক খাদ্য ৰপ্তানিয়ে ২০২৪-২৫ বিত্তীয় বৰ্ষত সৰ্বকালৰ সৰ্বাধিক ৬২ হাজাৰ ৪০৮ কোটি টকা অতিক্ৰম কৰিছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তেজপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কুমাৰগাঁও পথাৰত আয়োজিত জনসভাত অংশ লৈ মহিলা উদ্যমিতা অভিযানৰ অধীনত ২৩ হাজাৰ ২৯১ গৰাকী আত্মসহায়ক গোটৰ মহিলাৰ মাজত চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত ৫ গৰাকী হিতাধিকাৰী মহিলাক চেক বিতৰণ কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰে মহিলাসকলৰ সৰ্বাংগীণ কল্যাণৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে আজি কাৰ্বি আংলং জিলাতো ৩৩ হাজাৰ ২৯১ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক বিতৰণ কৰে। জিলাখনৰ হাওৰাঘাট বিধানসভা সমষ্টিৰ দকমকাত মুখ্যমন্ত্ৰীয়ে এই কাৰ্যসূচীত অংশ লয়। মহিলাসকলে এই ধনৰ সৎব্যৱহাৰ কৰিব পাৰিলে পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে ২৫ হাজাৰ আৰু ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইপিনে অহা ২০ ফেব্ৰুৱাৰীত অৰুণোদয়ৰ হিতাধিকাৰীসকলক ৮ হাজাৰ টকাকৈ বেংক একাউণ্টযোগে পোনপটীয়াকৈ প্ৰদান কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ইয়াৰ লগে লগে ৰাজ্যত সবলীকৰণৰ পদক্ষেপৰ অধীনত এই সুবিধা লাভ কৰা মহিলাৰ সংখ্যা ১৮ লাখ ৫২ হাজাৰ ৯২৩ হৈছে।

বাক্সা জিলাৰ কদমতলত আজি মুখ্যমন্ত্ৰীৰ হৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। জিলাখনৰ ৩৫ হাজাৰ মহিলাক আজি এই আঁচনিৰ অধীনত চেক বিতৰণৰ শুভাৰম্ভ কৰা হয়। মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত অংশ লোৱাৰ পাছত এইদৰে কয়—

**বাইট (মল্লবৰুৱা)**

ooooo

অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত গুৱাহাটীৰ সৰু সজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত বাগুৰুম্বা নৃত্য পৰিবেশন কৰা হ'ব। বিহু আৰু ঝুমইৰ বিনন্দিনীৰ পাছত বড়োসকলৰ বাগৰুম্বা নৃত্যক বিশ্ব দৰবাৰত তুলি ধৰাৰ উদ্দেশ্যে  ৮ হাজাৰৰো অধিক শিল্পীয়ে নৃত্য পৰিবেশন কৰিব। আজিৰে পৰা সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ষ্টেডিয়ামত তিনি দিনীয়াকৈ অনুশীলন অনুষ্ঠিত হৈছে। মন্ত্ৰী বিমল বৰাই আজি সৰুসজাইত উপস্থিত হৈ শিল্পীসকলৰ অনুশীলনৰ বুজ লয়। এই সন্দৰ্ভত সাংবাদিকৰ আগত তেওঁ এইদৰে কয়-

-বাইট-

উল্লেখযোগ্য যে, এই অনুষ্ঠান উপভোগ কৰিবলৈ আগ্ৰহীসকলে নিজৰ এখন বৈধ পৰিচয়পত্ৰ জমা দি অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প, পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ অথবা আমবাৰীৰ ৰবীন্দ্ৰ ভৱনৰ সাংস্কৃতিক সঞ্চালকালয়ৰ কাৰ্যালয়ৰ পৰা প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

০০০০০

তেজপুৰৰ মিছামাৰী সেনা চাউনীৰ যশোৱন্ত ষ্টেডিয়ামত অহা ৭ ফেব্ৰুৱাৰীৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈ অগ্নিবীৰ নিযুক্তি সমদলৰ আয়োজন কৰা হৈছে। সেনাবাহিনীৰ নাৰেংগী, যোৰহাট আৰু শ্বিলং নিযুক্তি কাৰ্য্যালয়ৰ উদ্যোগত এই সমদলৰ আয়োজন কৰা হৈছে। এই সমদলৰ জৰিয়তে অগ্নিবীৰ জেনেৰেল ডিউটী, টেকনিকেল, ক্লাৰ্ক, ট্ৰেটছমেন শাখাৰূপে উপযুক্ত প্ৰাৰ্থী বাছনি কৰা হ'ব। প্ৰকাশিত জাননী অনুসৰি, নিযুক্তি প্ৰক্ৰিয়া জিলা অনুসৰি, বিভিন্ন পৰ্য্যায়ত সম্পন্ন হ'ব। প্ৰথম পৰ্য্যায়ত ৭ ফেব্ৰুৱাৰীৰ পৰা ১৫ ফেব্ৰুৱাৰীলৈ নাৰেংগী কাৰ্য্যালয়ৰ অধীনস্থ বাক্সা, বৰপেটা, বজালী, বঙাইগাঁও, চিৰাং, দৰং, ধুবুৰী, গোৱালপাৰা, কামৰূপ মহানগৰ, কামৰূপ গ্ৰাম্য, কোকৰাঝাৰ, নলবাৰী, ওদালগুৰি, তামুলপুৰ আৰু দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ বাছনিপ্ৰাপ্ত প্ৰাৰ্থীসকলে অংশগ্ৰহণ কৰিব পাৰিব।

০০০০০

মন্ত্ৰী ৰণোজ পেগুৱে আজি ধেমাজি জিলাৰ শিঙিজানত মাছ বীজ পামৰ আধাৰশিলা স্থাপন কৰে। গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন নিধিৰ অধীনত মীন বিভাগৰ ১ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষে এই বীজ পাম নিৰ্মাণ কৰা হ'ব। এই পদক্ষেপৰ জৰিয়তে গুণগত মাছৰ বীজ উৎপাদনৰ জৰিয়তে কৃষকৰ জীৱন-জীৱিকা উন্নত কৰি অঞ্চলটোৰ বহনক্ষম মীন উন্নয়নত সহায়ক হ'ব বুলি মন্ত্ৰী ডাঃ পেগুৱে আশা প্ৰকাশ কৰে।

ইয়াৰ লগতে তেওঁ জিলাখনৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ সহকাৰী সঞ্চালকৰ কাৰ্য্যালয়ত পঞ্জীয়নকৃত শিপিনীসকলৰ মাজত ষ্টীলৰ ফ্ৰেমৰ তাঁতশাল বিতৰণ কাৰ্য্যসূচীৰ উদ্বোধন কৰে। অনুষ্ঠানত স্ব-নিৰ্ভৰশীল নাৰী আঁচনিৰ জৰিয়তে জিলাখনৰ ১৮৬ গৰাকী শিপিনীক আনুষ্ঠানিকভাৱে তাঁতশাল বিতৰণ কৰা হয়।

০০০০০

আজি ৰাষ্ট্ৰীয় যুৱ দিৱস। প্ৰসিদ্ধ দাৰ্শনিক, স্বপ্নদ্ৰষ্টা স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰে আজিৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে। যুৱ প্ৰজন্মৰ মাজত আত্মবিশ্বাস, সেৱা আৰু দেশ গঢ়াৰ প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে পালন কৰি অহা ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে স্বামী বিবেকানন্দৰ কালজয়ী দৃষ্টিভংগী, মতাদৰ্শ আৰু আধ্যাত্মিক চেতনা মানৱ জীৱনৰ শক্তি হৈ চিৰকাল অনুপ্ৰাণিত কৰি থাকিব। তেওঁ কয়, যে স্বামী বিবেকানন্দই ভাৰতীয়সকলৰ চেতনাত ৰাষ্ট্ৰীয়তাবাদী চিন্তা-ধাৰা প্ৰবাহিত কৰাৰ লগতে যুৱ প্ৰজন্মক ৰাষ্ট্ৰ গঠনৰ বাবে উৎসাহিত কৰি গৈছে। তেওঁৰ শিকনিসমূহে সমগ্ৰ মানৱ জাতিক উৎসাহিত কৰি থাকিব বুলি শ্ৰীমতী মুৰ্মুৱে মত প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে শ্ৰী ৰাধাকৃষ্ণণে কয়, যে স্বামী বিবেকানন্দৰ জীৱন আৰু শিকনিসমূহে মানুহক স্ব-অনুশাসন আৰু নিঃস্বাৰ্থ সেৱাক আধাৰ হিচাপে লৈ অৰ্থৱহ জীৱন যাপন কৰিবলৈ প্ৰেৰিত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে শ্ৰদ্ধা নিবেদন কৰি দিয়া বাৰ্তাত কয়, যে ভাৰতৰ যুৱ শক্তিৰ বাবে স্বামী বিবেকানন্দ প্ৰেৰণাৰ অন্তহীন স্ৰোত। তেওঁৰ ব্যক্তিত্ব আৰু কৰ্মই এখন বিকশিত ভাৰত গঠনৰ দিশত নতুন শক্তি জাগ্ৰত কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহান চিন্তাবিদগৰাকীৰ জন্মদিনত শ্ৰদ্ধা নিবেদন কৰিছে। স্বামী বিবেকানন্দৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি নতুন দিল্লীত আয়োজন কৰা বিকশিত ভাৰত যুৱনেতা সন্মিলন-২০২৬ত অসমৰ পৰা অংশগ্ৰহণ কৰা আৰিয়ান কাশ্যপ আৰু দীক্ষিতা চক্ৰৱৰ্তীক মুখ্যমন্ত্ৰীয়ে অভিনন্দন জ্ঞাপন কৰিছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত আজি হাতশিঙিমাৰীৰ এলীট একাডেমীত ৰাষ্ট্ৰীয় যুৱ দিৱস উদযাপন কৰা হয়। এই উপলক্ষে সজাগতামূলক সমদল উলিওৱা হয়। বিয়লি ২ বজাত মাদক দ্ৰব্যৰ বিৰুদ্ধে এখন সজাগতা সভাও অনুষ্ঠিত হয়। কাছাৰ জিলাতো আজি স্বামী বিবেকানন্দৰ ১৬৪ সংখ্যক জয়ন্তী উপলক্ষে বিশেষ কাৰ্যসূচী লোৱা লয়।

০০০০০

ডিব্ৰুগড় পৌৰ নিগমে মহানগৰৰ বিভিন্ন স্থানত মুকলিকৈ কঠিন আৱৰ্জনা পেলোৱাৰ লগতে জ্বলোৱাত নিষেধাজ্ঞা আৰোপ কৰিছে। যিকোনো ব্যক্তি, প্ৰতিষ্ঠান, দোকান, ঠিকাদাৰ বা সংস্থাই ৰাজহুৱা স্থানত প্লাষ্টিকৰ আৱৰ্জনা পেলালে বা জ্বলালে  ৫ হাজাৰ টকা পৰ্য্যন্ত জৰিমনা বিহা হ'ব বুলি পৌৰ নিগমে ঘোষণা কৰিছে। ইয়াৰ লগতে পৌৰ নিগমে পৰিয়াল আৰু বাণিজ্যিক প্ৰতিষ্ঠানসমূহত পৌৰ নিগমে নিয়োজিত কৰা অনুমোদিত আৱৰ্জনা সংগ্ৰাহকসকলক গতাই দিবলৈ পৰামৰ্শ আগবঢ়াইছে। আৱাসী বজাৰ সমিতি, বিভিন্ন সংস্থাৰ চাফাই কৰ্মীকে ধৰি সংশ্লিষ্ট সকলোকে পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ লগতে পৰিৱেশ প্ৰদূষণ প্ৰতিৰোধৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ পৌৰ নিগম কৰ্তৃপক্ষই আহ্বান জনায়।  আনহাতে, অবৈধভাৱে জাবৰ পেলোৱা বা আৱৰ্জানা জ্বলোৱাৰ ঘটনা প্ৰত্যক্ষ কৰিলে পৌৰ নিগম কৰ্তৃপক্ষক অৱগত কৰিবলৈ নাগৰিকসকলক আহ্বান জনোৱা হৈছে। এই নিৰ্দেশ অমান্য কৰিলে আইন অনুসৰি, কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ডিব্ৰুগড় পৌৰ নিগমে সঁকিয়াই দিয়ে।

০০০০০

বৰপেটা জিলা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ উদ্যোগত আৰু পাঠশালা সাহিত্য সভাৰ সহযোগত পাঠশালা সাহিত্য সভা ভৱনত আজি এখন কবি সন্মিলন অনুষ্ঠিত হয়। পাঠশালা সাহিত্য সভাৰ সভাপতি অনিল ডেকাই এই সন্মিলনখন উদ্বোধন কৰে। সন্মিলনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, ড০ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছৱিত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ¯

০০০০০

সমাপ্ত